# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-Sept.-2026
**Time :**1845 PM

## *Assamese Evening Bulletin*
## Headlines

-------------------

১।	মহিলাসকলক স্বাৱলম্বী হ'ব পৰাকৈ উপযুক্ত শিক্ষা প্ৰদান কৰাটোৱেই প্ৰকৃত সৱলীকৰণ বুলি শংকৰদেৱ কলাক্ষেত্ৰত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণৰ মত প্ৰকাশ।

২।	শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত উপ-ৰাষ্ট্ৰপতিৰ অংশগ্ৰহণ।

৩।	ৰাজ্যৰ হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ বৰপেটাৰ গণককুছিৰ হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন।

**আৰু**

৪।	অসম লোকসেৱা আয়োগৰ ২০২৫ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ দিন ঘোষণা।

০০০০০

মহিলাসকলক স্বাৱলম্বী হ'ব পৰাকৈ উপযুক্ত শিক্ষা প্ৰদান কৰাটোৱেই প্ৰকৃত সৱলীকৰণ বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত আজি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে সম্প্ৰতি মহিলাৰ অধিকাৰক প্ৰাধান্য দিয়াৰ ঐতিহাসিক ৰূপান্তৰ হৈছে। শিক্ষানুষ্ঠানসমূহে শিক্ষাৰ্থীক কেৰিয়াৰৰ বাবে সাজু কৰি তোলাৰ লগতে গণতন্ত্ৰ আৰু সমাজৰ উপযোগীকৈ সাজু কৰি তুলিব লাগে বুলি শ্ৰীৰাধাকৃষ্ণণে মত প্ৰকাশ কৰে। গীতানগৰ মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনি, পৰিৱেশ সম্পৰ্কীয় পদক্ষেপ, সাক্ষৰতা, স্বাস্থ্য সজাগতাকে ধৰি বিভিন্ন দিশত সামূহিক অংশগ্ৰহণৰ জৰিয়তে কাম কৰাটো লৈ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তুষ্টি ব্যক্ত কৰে। তেওঁ অসমক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ বুলি উল্লেখ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱ বৈষ্ণৱ ধৰ্মৰ লগতে ভাষা-সাহিত্য, সংস্কৃতিলৈ অৱদান আৰু লাচিত বৰফুকনৰ বীৰত্বৰ কথাও সোঁৱৰণ কৰে। তদুপৰি অসমৰ চাহৰ বিষয়েও তেওঁ প্ৰশংসাসূচক মন্তব্য কৰে।

**বাইট (উপ-ৰাষ্ট্ৰপতি)**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশক অগ্ৰাধিকাৰ দি এক্ট ইষ্ট নীতি ৰূপায়ণ কৰাৰ লগতে অষ্টলক্ষ্মীৰ কথা উল্লেখ কৰি আহিছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে। শ্ৰী ৰাধাকৃষ্ণণে কয়, যে শিক্ষা মানুহৰ জ্ঞান, বিবেক, চৰিত্ৰ আৰু চেতনা বিকাশৰ মাধ্যম। কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ, মহাকাশ, প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত ভাৰতৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হোৱা বুলি উল্লেখ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাৰ্থীসকলক ডাঙৰ সপোন দেখিবলৈ আহ্বান জনায়। ইয়াৰ আগেয়ে উপ-ৰাষ্ট্ৰপতিগৰাকী দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি পুৱা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিমান বন্দৰত উপ-ৰাষ্ট্ৰপতিগৰাকীকআদৰণি জনায়। তেওঁ বিয়লি গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা  তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰহিত তথা দৃষ্টিৰহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

ooooo

ৰাজ্যৰ হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি বৰপেটাৰ গণককুছিৰ হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি অভাৱ-অভিযোগৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটোৰ আধুনিকীকৰণৰ বাবে প্ৰয়োজনীয় পুঁজি আবণ্টনৰ আশ্বাস দিয়ে। তেওঁ প্ৰশিক্ষাৰ্থীসকলক স্বনিয়োজনত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত হস্ততাঁত বস্ত্ৰশিল্প বিভাগে বিভাগীয় আঁচনিসমূহৰ জৰিয়তে সহায়-সহযোগিতা আগবঢ়াব বুলিও মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। ক্ৰীড়া বিভাগৰ দায়িত্বত থকা মন্ত্ৰী শ্ৰীদৈমাৰীয়ে বৰপেটাৰ ৰামৰায়  ষ্টেডিয়ামখনো পৰিদৰ্শন কৰে। অৰ্ধনিৰ্মিত ষ্টেডিয়ামখনক পূৰ্ণাংগ ৰূপ দিবলৈ মন্ত্ৰীগৰাকীক বৰপেটাৰ ক্ৰীড়া সংগঠনৰ প্ৰতিনিধিসকলে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি হাউলীৰ ৰেচম পাম পৰিদৰ্শন কৰি অভাৱ-অভিযোগৰ বুজ লয়। তেওঁ পামখনক অধিক কাৰ্যক্ষম কৰি তোলাৰ বাবে  ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আশ্বাস দিয়ে।

ooooo

অসম লোকসেৱা আয়োগে ২০২৫ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অহা ৯, ১০ আৰু ১১ অক্টোবৰত গুৱাহাটীৰ বিভিন্ন কেন্দ্ৰত পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলে অসম লোকসেৱা আয়োগৰ ৱেবছাইট www.aspc.nic.in-ৰ জৰিয়তে অহা ১৮ আৰু ১৯ ছেপ্তেম্বৰত প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব।

ooooo

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ পূৰ্বে ভাৰতীয় জনতা পাৰ্টিয়ে সাংগঠনিক প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। আজি শিলচৰ জিলা বিজেপিৰ কাৰ্যালয়ত দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তেওঁ আগন্তুক পৌৰ নিগমৰ নিৰ্বাচনত নাগৰিকৰ সমস্যাসমূহৰ স্থায়ী সমাধান আৰু উন্নয়নৰ পৰিকল্পনাক স্পষ্ট ৰূপ দিয়াই বিজেপিৰ মূল লক্ষ্য বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে শিলচৰ পৌৰ নিগমৰ ৱাৰ্ডৰ সংখ্যা পূৰ্বৰ ২৮ৰ পৰা ৪২লৈ বৃদ্ধি পাইছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ চূড়ান্ত ভোটাৰ তালিকা অনুসৰি শিলচৰ পৌৰ নিগমৰ মুঠ ভোটাৰৰ সংখ্যা ২ লাখ ৭০ হাজাৰ ৭৭২ জন।

ooooo

অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত বছৰজোৰা কাৰ্যসূচীৰে পালন কৰা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ আজি সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। এই সন্দৰ্ভত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ সুভাষ বৰ্মনে এইদৰে কয়—

**বাইট (ড০ সুভাষ বৰ্মন)**

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত সুধাকণ্ঠক মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত সুধাকণ্ঠৰ স্মৃতিত বিশিষ্ট শিক্ষাবিদ তথা আবৃতিকাৰ ড০ অমৰজ্যোতি চৌধুৰীয়ে ৰচনা কৰা **মৃত্যু জিনাৰ গান- এটা গান শেষ হ'ল** শীৰ্ষক কবিতাটো আবৃতি কৰা হয়। অসম আবৃতি আৰু সংস্কৃতি পৰিষদৰ গোৱালপাৰা জিলা সমিতিৰ বিষয়ববীয়া, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

গুৱাহাটী পৌৰ নিগমে আয়োজন কৰা স্বচ্ছ গুৱাহাটী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নৱগ্ৰহ নতুন নগৰ শিৱ মন্দিৰ সমিতিয়ে স্থানীয় বাসিন্দাসকলক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে 'স্বচ্ছ নৱগ্ৰহ' বিষয়ক এখন প্ৰতিযোগিতাৰো আয়োজন কৰিছে। সমিতিয়ে নিৰ্ধাৰণ কৰি দিয়া নীতি নিয়ম মানি চলা পৰিয়াল তথা ব্যক্তিসকলক "শ্ৰেষ্ঠ স্বচ্ছ পৰিয়াল", "শ্ৰেষ্ঠ চিকুণ পদুলিমুখ" আৰু "শ্ৰেষ্ঠ স্বচ্ছ সমাজসেৱক "হিচাপে পুৰস্কৃত কৰা হ'ব। এই প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰীসকলক সমিতিয়ে অহা শিৱ পূজাৰ ৰাজহুৱা অনুষ্ঠানত "কৃতজ্ঞতা পত্ৰ" প্ৰদান কৰাৰ লগতে সন্মানিত কৰিব বুলি সমিতিৰ কাৰ্যকৰী সভাপতি মুনীন কাকতি আৰু সম্পাদক হীৰেণ চক্ৰৱৰ্তীয়ে অবগত কৰিছে।

উল্লেখযোগ্য যে ঐতিহাসিক নৱগ্ৰহ মন্দিৰৰ গাতে লাগি থকা নৱগ্ৰহ নতুন নগৰ এলেকাৰ বাসিন্দাসকলে প্ৰতি দেওবাৰে শ্ৰমদানেৰে স্বচ্ছ অভিযান কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ইতিমধ্যে স্থানীয় ৰাইজৰ স্বতস্ফুৰ্ত সহযোগিতাত অঞ্চলটোৰ পথৰ কাষৰ বেৰসমূহ পাতল বেঙুনীয়া ৰঙেৰে সৌন্দৰ্য্যবৰ্ধণ কৰি তোলা হৈছে। বাটৰ কাষত ঠায়ে ঠায়ে সমিতিৰ সদস্যসকলে প্ৰস্তুত কৰা বাঁহৰ ডাষ্টবিন বহুৱাই ৰাইজক জাবৰ জোথৰ য'তে ত'তে নেপেলাবলৈ আহ্বান জনাইছে। আজি এই উপলক্ষ্যে নৱগ্ৰহ নতুন নগৰ শিৱ মন্দিৰ প্ৰাংগনত স্বচ্ছতা বিষয়ক সজাগতামূলক সভা এখনি অনুষ্ঠিত হয়। শিৱ মন্দিৰৰ সমুখভাগত বৃক্ষৰোপণেৰে আৰম্ভ কৰা সভাখনত এখন স্বচ্ছ,সেউজ আৰু সুস্থ সবল নৱগ্ৰহ গঢ়ি তোলাৰ লক্ষ্যৰে সমিতিয়ে কাম কৰি যাব বুলি সংকল্প গ্ৰহণ কৰে।

ooooo

হাইলাকান্দি জিলাৰ শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে শ্ৰী কিষাণ সাৰদা মহাবিদ্যালয়ত আজি উড়ান নামৰ বিশেষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। হাইলাকান্দিৰ বিধায়ক ডা০ মিলন দাসৰ উদ্যোগত শুভাৰম্ভ কৰা এই কাৰ্যসূচীৰ অধীনত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা শিক্ষাৰ্থীসকলক উন্নত শৈক্ষিক সহায়, কেৰিয়াৰ গাইডেন্স আৰু বিশেষজ্ঞৰ পৰামৰ্শ প্ৰদান কৰা হ'ব। জিলাখনৰ ৯০০ গৰাকী শিক্ষাৰ্থীক ২২ দিন ধৰি এই প্ৰশিক্ষণ দিয়া হ'ব। বিভিন্ন ক্ষেত্ৰৰ অভিজ্ঞ আৰু বিশেষজ্ঞই এই প্ৰশিক্ষণ প্ৰদান কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজীৱ মোহন পন্ত, জিলা আয়ুক্ত জয় বিকাশ, হাইলাকান্দিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হা, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মানবেন্দ্ৰ ৰয়কে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

সমাপ্ত